পঞ্জীভুক্ত নম্বৰ - ৭৬৮ /৯৭ Registered No.-768/97

অসম ৰাজপত্ৰ

सत्यमेव जयते

# THE ASSAM GAZETTE

অসাধাৰণ

**EXTRAORDINARY**

প্ৰাপ্ত কৰ্ত্তৃত্বৰ দ্বাৰা প্ৰকাশিত

**PUBLISHED BY THE AUTHORITY**

নং 537 দিশপুৰ, বুধবাৰ, 9 ছেপ্টেম্বৰ, 2026, 18 ভাদ, 1948 (শক)

No. 537 Dispur, Wednesday, 9th September, 2026, 18th Bhadra, 1948 (S. E.)

GOVERNMENT OF ASSAM

ORDERS BY THE GOVERNOR

LEGISLATIVE DEPARTMENT : : : LEGISLATIVE BRANCH

**NOTIFICATION**

The 9th September, 2026

**No. LGL.11/2026/6.–** The following Act of the Assam Legislative Assembly which received the assent of the Hon'ble Governor of Assam on 8th September, 2026 is hereby published for general information.

**ASSAM ACT NO. XXIII OF 2026**

**(Received the assent of the Hon'ble Governor of Assam on 8th September, 2026)**

## THE ASSAM STATE LEGISLATURE MEMBERS (REMOVAL OF DISQUALIFICATIONS) (AMENDMENT) ACT, 2026

# AN
# ACT

further to amend the Assam State Legislature Members (Removal of Disqualifications) Act, 1950.

Preamble

Whereas it is expedient further to amend the Assam State Legislature Members (Removal of Disqualifications) Act, 1950 hereinafter referred to as the principal Act, in the manner hereinafter appearing;

Assam Act No. XIII of 1950

It is hereby enacted in the Seventy-seventh Year of the Republic of India as follows:-

Short title, extent and commencement

1. (1) This Act may be called the Assam State Legislature Members (Removal of Disqualifications) (Amendment) Act, 2026.

(2) It extends to the whole of Assam.

(3) It shall come into force at once.

Amendment of section 2

2. In the principal Act, in section 2, in the Schedule, after the existing entry 16, the following new entries shall be inserted, namely:-

"17. Office of the Political Secretary to the Chief Minister, Assam.

18. Office of the Political Advisor to the Chief Minister, Assam."

Repeal and Savings

3. (1) The Assam State Legislature Members (Removal of Disqualifications) (Amendment) Ordinance, 2026 is hereby repealed.

Assam Ordinance No. II of 2026

(2) Notwithstanding such repeal, any order or direction issued, appointment made, action taken or anything done prior to such repeal under the Ordinance so repealed shall, in so far as it is consistent with this Act, be deemed to have been made, issued, taken or done under the corresponding provisions of this Act, and shall continue to have effect accordingly unless and until superseded by any appointment made, order or direction issued, action taken or anything done under this Act.

**MEHBOOBA BEGUM,**
Joint Secretary (Secretary In Charge) to the Government of Assam,
Legislative Department, Dispur.

## ২০২৬ চনৰ অসম অধিনিয়ম নং ২৩

## (২০২৬ চনৰ ৮ চেপ্টেম্বৰ তাৰিখে ৰাজ্যপালৰ দ্বাৰা স্বীকৃত)

# অসম ৰাজ্যিক বিধানসভাৰ সদস্যসকল (অনৰ্হতাৰ দূৰীকৰণ) (সংশোধন) অধিনিয়ম, ২০২৬

## এখন

## অধিনিয়ম

## ৯ চেপ্টেম্বৰ, ২০২৬

অসম ৰাজ্যিক বিধানসভাৰ সদস্যসকল (অনৰ্হতাৰ দূৰীকৰণ) অধিনিয়ম, ১৯৫০ ক পৰৱৰ্তী সংশোধন কৰাৰ বাবে।

প্ৰস্তাৱনা

যিহেতু, অসম ৰাজ্যিক বিধানসভাৰ সদস্যসকল (অনৰ্হতাৰ দূৰীকৰণ) অধিনিয়ম, ১৯৫০, মূল অধিনিয়ম বুলি যিখন ইয়াৰ পিছত উল্লেখিত হৈছে, ইয়াৰ পিছত উল্লেখ কৰা ধৰণেৰে পৰৱৰ্তী সংশোধন কৰাটো কালোচিত; ১৯৫০ চনৰ অসম অধিনিয়ম নং XIII

ইয়াৰ দ্বাৰা ভাৰত গণৰাজ্যৰ সাতসত্তৰতম বৰ্ষত ইয়াক নিম্নলিখিত ধৰণেৰে অধিনিয়মিত কৰা হৈছে :—

সংক্ষিপ্ত নাম, বিস্তাৰ আৰু প্ৰাৰম্ভণ

১। (১) এই অধিনিয়মখন অসম ৰাজ্যিক বিধানসভাৰ সদস্যসকল (অনৰ্হতাৰ দূৰীকৰণ) (সংশোধন) অধিনিয়ম, ২০২৬ বুলি অভিহিত হ'ব।

(২) ইয়াৰ বিস্তাৰ সমগ্ৰ অসমতে হ'ব।

(৩) ই তাৎক্ষণিকভাৱে বলবৎ হ'ব।

ধাৰা ২ ৰ সংশোধন

২। মূল অধিনিয়মত, ধাৰা ২ ত, অনুসূচীত, বিদ্যমান প্ৰৱিষ্টি ১৬ ৰ পিছত, নিম্নলিখিত নতুন প্ৰৱিষ্টিসমূহ অন্তঃস্থাপিত হ'ব, যথা:–

"১৭। মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব পদ, অসম।

১৮। মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক উপদেষ্টা পদ, অসম।"

বাতিল আৰু সংৰক্ষণ

৩। (১) অসম ৰাজ্যিক বিধানসভাৰ সদস্যসকল (অনৰ্হতাৰ দূৰীকৰণ) (সংশোধন) অধ্যাদেশ, ২০২৬ ইয়াৰ দ্বাৰা বাতিল কৰা হ'ল। ২০২৬ চনৰ অসম অধ্যাদেশ নং II

(২) এনে বাতিলৰ স্বত্বেও, এনেদৰে বাতিলকৃত অধ্যাদেশৰ অধীনত এনে বাতিলৰ পূৰ্বে জাৰিকৃত কোনো আদেশ বা নিৰ্দেশনা, দিয়া নিযুক্তি, গ্ৰহণ কৰা কাৰ্য্যব্যৱস্থা বা কৰা কোনো কাৰ্য্য এই অধিনিয়মৰ সৈতে যিমান দূৰলৈকে সংগতিপূৰ্ণ হয়, এই অধিনিয়মৰ অনুৰূপ উপবন্ধাৱলীৰ অধীনত পাৰিত, জাৰিকৃত, গ্ৰহণ কৰা বা কৰা বুলি গণ্য কৰা হ'ব আৰু এই অধিনিয়মৰ অধীনত দিয়া কোনো নিযুক্তি, জাৰিকৃত আদেশ বা নিৰ্দেশনা, গ্ৰহণ কৰা কোনো কাৰ্য্যব্যৱস্থা বা কৰা কোনো কাৰ্য্যৰ দ্বাৰা নিষ্প্ৰভাৰী নোহোৱালৈকে, তদানুসাৰে প্ৰভাৰী হৈ থাকিব।

**মেহবুবা বেগম,**
যুটীয়া সচিব (ভাৰপ্ৰাপ্ত সচিব), অসম চৰকাৰ
বিধান বিভাগ, দিশপুৰ।

Guwahati : Printed and Published by the Director, Directorate of Printing & Stationery, Assam, Guwahati-21.
Extraordinary Gazette No. 1073 - 10 + 10 - 09 - 09 - 2026. (visit at– dpns.assam.gov.in)